**অসম বিধানসভা**

**তৰাবিহীন প্ৰশ্ন নং : ৫০২**

**উত্তৰ দিয়াৰ তাৰিখ – ২৪/০৭/২০২৬**

বিষয় : লাট মণ্ডল নিযুক্তি সম্পৰ্কে

মাননীয় বিধায়কৰ নাম : শ্ৰী পবিত্ৰ ৰাভা

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ প্ৰায় বিলাক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত লাট মণ্ডলৰ অভাৱ দেখা গৈছে। ২০২০ ৰ পৰা ২০২৩ বৰ্ষত লাট মণ্ডলৰ পদৰ বাবে RCCC প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰায় ৪০০ গৰাকী যুৱক-যুৱতী থকাৰ পিছতো কিয় এই পদত এতিয়ালৈকে তেওঁলোকৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই?

(খ) তেওঁলোকক পূৰ্বৰ লাট মণ্ডল বা বৰ্তমানৰ LRA হিচাপে নিযুক্তিৰ ক্ষেত্ৰত বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**উত্তৰ**

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী যুত কেশৱ মহন্ত দেৱে উত্তৰ দিব :

ক) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

অসম জৰীপ আৰু বন্দবস্তী প্ৰশিক্ষণ কেন্দ্ৰত (Assam Survey & Settlement Training Centre ত) ছয় মহীয়া RCCC প্ৰশিক্ষণ প্ৰাপ্ত প্ৰাৰ্থীসকলৰ বাবে চৰকাৰে "Assam Land Records Subordinate Service (Amendment) Rules, 2023", প্ৰণয়ন কৰি মূল বিধি, ২০২৩-ৰ বিধি ৫ত নতুন উপ-বিধি ১(ক) [Rule 5(1A)] সংযোজন কৰে। এই নতুন সংশোধনী অনুসৰি, প্ৰাৰ্থীসকলক (ষষ্ঠ অনুসূচী অঞ্চলসমূহৰ বাহিৰে), যিসকলে ছয় মাহৰ RCCC প্ৰশিক্ষণ লাভ কৰিছে তেওঁলোকক ভূমিলেখ্য সহায়ক (LRA) পদত নিযুক্তিৰ বাবে এককালীন ব্যৱস্থা হিচাপে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুমতি প্ৰদান কৰা হৈছিল।

সিপিঠিত...

তদানুসৰি, বিজ্ঞাপন নং DLR-11013(21)/50/2025/130, তাৰিখ ১৪-০৩-২০২৬ যোগে অসমৰ বিভিন্ন জিলাত খালী থকা ভূমি লেখ্য সহায়ক পদ পূৰণৰ বাবে আবেদন আহ্বান কৰা হৈছিল।

উক্ত বিজ্ঞাপনক প্ৰত্যাহ্বান জনাই মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত একাধিক লেখ আবেদন দাখিল কৰা হৈছিল যিহেতু ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ প্ৰাৰ্থীসকলে আবেদন কৰাৰ পৰা বঞ্চিত হৈছিল। মাননীয় উচ্চ ন্যায়ালয়ে WP(C) No. 143/2026 গোচৰত প্ৰদান কৰা ৰায়ত সংশোধনী বিধিৰ সংশ্লিষ্ট অংশ তথা বিজ্ঞাপনটোক অসাংবিধানিক বুলি বাতিল কৰে।

বৰ্তমান মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ পৰিপ্ৰেক্ষিতত উক্ত বিজ্ঞাপন স্থগিত ৰখা হৈছে। RCCC-ৰ ছয় মহীয়া প্ৰশিক্ষণ সম্পূৰ্ণ কৰা সাধাৰণ এলেকা আৰু ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ প্ৰাৰ্থীসকলক ভূমি লেখ্য সহায়ক (LRA) পদৰ নিযুক্তি প্ৰক্ৰিয়াত অংশগ্ৰহণৰ অনুমতি প্ৰদান কৰাৰ বিষয়টো ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিবেচনাধীন আছে।

খ) 'ক' ৰ সৈতে একে।

**************